**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-09-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

## ***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাভ কৰা স্মাৰক আৰু উপহাৰৰ ই-নিলাম কাইলৈৰ পৰা আৰম্ভ হ'ব।

২। কেন্দ্ৰীয় মন্ত্ৰীসভাই কৰ্মচাৰী ভৱিষ্য নিধি সংস্থাৰ অধীনত বাধ্যতামূলক সুৰক্ষা মজুৰিৰ সীমা ১৫ হাজাৰৰ পৰা ২৫ হাজাৰ টকালৈ বৃদ্ধি কৰিছে।

৩। সমগ্ৰ দেশতে কাইলৈ পৰিচ্ছন্নতাই সেৱা অভিযান, ২০২৬ আৰম্ভ হ'ব।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি থিম্ফুত ভূটানৰ বৈদেশিক মন্ত্ৰী লিয়নপ ডি এন ধুংগিয়েলক সাক্ষাৎ কৰে।

*আৰু*

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কাইলৈ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লাভ কৰা স্মাৰক আৰু উপহাৰৰ ই-নিলাম কাইলৈৰ পৰা আৰম্ভ হ'ব। নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে কয় যে ভাৰতৰ বৈচিত্যময় সংস্কৃতি, বিশ্বাস আৰু পৰম্পৰাগত কাৰুশিল্পক প্ৰতিনিধিত্ব কৰা চিত্ৰকলা, বস্ত্ৰ, মূৰ্তি, প্ৰাচীন আৰু হস্তনিৰ্মিত শিল্পকৰ্মকে ধৰি এই বছৰ নিলামৰ বাবে প্ৰায় এহেজাৰ ৫০০ সামগ্ৰী ৰখা হৈছে। শ্ৰীশ্বেখাৱাটে কয় যে মুঠ ৭ হাজাৰ ৪৪০টা সামগ্ৰী নিলাম কৰা হৈছিল, ই-নিলামৰ পূৰ্বৰ ৭টা সংস্কৰণত ইতিমধ্যে ২২ কোটি টকা সংগ্ৰহ কৰা হৈছিল। তেওঁ কয় যে এই উপাৰ্জন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গংগা নদীৰ নিৰন্তৰ প্ৰবাহ আৰু পৰিস্কাৰ পৰিচ্ছন্নতাৰ বাবে নমামি গংগে অভিযানত উচৰ্গা কৰিছিল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ যশোভূমি ছেমিকন ইণ্ডিয়া সন্মিলন আৰু প্ৰদৰ্শনীৰ পঞ্চম সংস্কৰণ মুকলি কৰিব। এই তিনিদিনীয়া সন্মিলনে এখন ধ্বজাবাহী মঞ্চ হিচাপে কাম কৰিব আৰু গোলকীয় ছেমি কণ্ডাক্টৰ আৰু বৈদ্যুতিন খণ্ডৰ প্ৰতিষ্ঠানসমূহক একত্ৰিত কৰি সমন্বয় বৃদ্ধি, উদ্ভাৱন, উৎপাদন সামৰ্থ বৃদ্ধি, বিনিয়োগ আকৰ্ষিত কৰা আৰু ভৱিষ্যতৰ বাবে সাজু প্ৰতিভাৰ বিকাশত অৰিহণা যোগাব। এই প্ৰদৰ্শনীত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৬০০তকৈ অধিক প্ৰদৰ্শনকাৰী, ৩০০তকৈ অধিক আন্তঃৰাষ্ট্ৰীয় কোম্পানী আৰু ৪০ খনতকৈ অধিক দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। প্ৰদৰ্শনীখনত ছখন দেশ, ১২ খন ৰাজ্য আৰু ষ্টাৰ্টআপ প্ৰতিষ্ঠানৰ বাবে এটা সুকীয়া মণ্ডপ থাকিব। এই সন্মিলন তথা প্ৰদৰ্শনীত ছেমী কণ্ডাক্টৰ নিৰ্মাণ আৰু প্ৰযুক্তিকে ধৰি ছেমি কণ্ডাক্টৰ আৰু বৈদ্যুতিক খণ্ডৰ শেহতীয়া শৈলী আৰু গুৰুত্বপূৰ্ণ খণ্ড সন্দৰ্ভত উচ্চ পৰ্যায়ৰ আলোচনা আৰু কৌশলগত অধিৱেশনৰ আয়োজন কৰা হ'ব। এই সন্মিলনে ভাৰতীয় আৰু আন্তঃৰাষ্ট্ৰীয় কোম্পানীসমূহৰ বাবে সহযোগিতাৰ অন্বেষণ, বিনিয়োগৰ সুযোগ, প্ৰযুক্তিগত সহযোগিতা আৰু বিশ্বাসী গোলকীয় ছেমি কণ্ডাক্টৰ সহযোগী হিচাপে ভাৰতৰ স্থিতি অধিক সবল কৰি তুলিব।

০০০০০০০

কেন্দ্ৰীয় কেবিনেটে কৰ্মচাৰী ভৱিষ্য নিধি সংস্থাৰ অধীনত বাধ্যতামূলক সুৰক্ষা মজুৰিৰ সীমা ১৫ হাজাৰৰ পৰা ২৫ হাজাৰ টকালৈ বৃদ্ধি কৰিছে। কেবিনেট বৈঠকত অন্তত সংবাদমেল সম্বোধন কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি কয় যে এই সিদ্ধান্তই বাধ্যতামূলক কৰ্মচাৰী ভৱিষ্যনিধি পুঁজি চমুকৈ ই এফ অ' পৰিসৰৰ ভিতৰত ৫১ লাখৰো অধিক অতিৰিক্ত কৰ্মচাৰী আনিব যাৰ ফলত শ্ৰমিকসকলৰ বাবে সামাজিক সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া হ'ব বুলি আশা কৰা হৈছে। ইয়াৰ বাবে ৰাজহুৱা খণ্ডৰ বাৰ্ষিক ব্যয় প্ৰায় ১১ হাজাৰ ৩৩৯ কোটি টকা হ'ব বুলি অনুমান কৰা হৈছে।

বাইট (বৈষ্ণৱ)

মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ই পি এফ অ'ৰ মজুৰিৰ সীমা ২০০৪ চনৰ পৰা ২০১৪ চনলৈকে অপৰিৱৰ্তিত হৈ আছিল। তাৰ পাছত ২০১৪ চনৰ ছেপ্তেম্বৰ মাহত ইয়াক ১৫ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছিল।

০০০০০০০

সমগ্ৰ দেশত কাইলৈ পৰিচ্ছন্নতাই সেৱা অভিযান, ২০২৬ আৰম্ভ হ'ব। ১৭ অক্টোবৰলৈ চলিবলগীয়া এই অভিযানৰ অধীনত চক্ৰীয় অৰ্থনীতি তথা আৱৰ্জনাৰ পৰা সম্পদ উদ্যমৰ জৰিয়তে পূৰ্বে চিহ্নিত ঠাই আৰু অধিক ভিৰ হোৱা ৰাজহুৱা স্থানসমূহ পৰিষ্কাৰ কৰি তোলা, যুৱ প্ৰজন্মৰ অংশগ্ৰহণ বৃদ্ধি আৰু পৰিচ্ছন্নতাৰ পৰা সমৃদ্ধিৰ দৃষ্টিভংগীৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰা হ'ব। এই বছৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে – 'পৰিচ্ছন্নতাৰ অভিযানত সহযোগিতা পৰিষ্কাৰ ভাৰত, বিকশিত ভাৰত'। এই বিষয়বস্তুৰ জৰিয়তে পৰিষ্কাৰ আৰু বিকশিত ভাৰতৰ দৃষ্টিভংগী পূৰণৰ ক্ষেত্ৰত সমূহীয়া অংশগ্ৰহণ আৰু উমৈহতীয়া দায়িত্বৰ বিষয়ে আলোকপাত কৰা হৈছে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি থিম্ফুত ভূটানৰ বৈদেশিক মন্ত্ৰী লিয়নপ' ডি এন ধুংগিয়েলক সাক্ষাৎ কৰে আৰু যুটীয়াভাৱে সহযোগিতাৰ ওপৰত পৰ্যালোচনা কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ড০ জয়শংকৰে কয় যে আলোচনা কালত তেওঁলোকে উন্নয়নমূলক অংশীদাৰিত্ব, শক্তি, বাণিজ্য, সংযোগ, সংস্কৃতি আৰু জনসাধাৰণৰ মাজত ভাৰত-ভূটানৰ বহুমুখী সম্পৰ্কক আগুৱাই নিয়াত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয় যে আজিৰ আলোচনা দুয়োখন ৰাষ্ট্ৰৰ সম্পৰ্ক, বিশ্বাস আৰু সদিচ্ছা প্ৰতিফলিত কৰিছে। ড০ জয়শংকৰে বুমথাঙৰ আধ্যাত্মিক আৰু ঐতিহাসিক কেন্দ্ৰত তেওঁক আতিথ্য প্ৰদান কৰাৰ বাবে ভূটানৰ মন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

আজি বিশ্ব অ'জন দিৱস। এইবাৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে – 'শীতল ধৰিত্ৰীৰ বাবে বিশ্বজনীন ব্যৱস্থা'। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে কয়, যে অ'জন স্তৰক ক্ষতিকাৰক অতি বেঙুনীয়া ৰশ্মিৰ বিৰূপ প্ৰভাৱৰ পৰা আমাক ৰক্ষা কৰাৰ কৱচ বুলি অভিহিত কৰিছে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে এই দিৱসে অ'জন স্তৰক সুৰক্ষিত কৰাৰ প্ৰচেষ্টা যে ঘৰৰ পৰাই আৰম্ভ হয়, সেই বিষয়ে সোঁৱৰাই দিয়ে। তেওঁ কয়, যে এ চিৰ তাপমাত্ৰা ২৪ ডিগ্ৰী ছেলছিয়াছত বৰ্তাই ৰখা আৰু বিদ্যুৎ ৰাহি কৰা সঁজুলিৰ ব্যৱহাৰে নিৰ্গমন হ্ৰাস কৰা আৰু সুস্থ পৃথিৱী গঢ়াত সহায় কৰে। অ'জন স্তৰৰ সংৰক্ষণ মানৱ স্বাস্থ্য, জৈৱ বৈচিত্ৰ আৰু জলবায়ু সুস্থিৰতাৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক সুৰক্ষিত ভৱিষ্যতৰ বাবে বহনক্ষম জীৱনশৈলী আঁকোৱালি ল'বলৈ আহ্বান জনায়।

০০০০০০০

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে ভাৰ্চুৱেল ব্যৱস্থাৰে আজি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ সৈতে স্বচ্ছ সেৱা অংকলন চমুকৈ এছ্ এছ্ এ মুকলি কৰে। মন্ত্ৰালয়ে জনায় যে এছ্ এছ্ এ হৈছে গ্ৰামাঞ্চলত অনাময় সেৱা প্ৰদানৰ মূল্যায়ন আৰু নিৰীক্ষণৰ বাবে প্ৰস্তুত কৰা বাৰ্ষিক ডিজিটেল স্বমূল্যায়নৰ পৰিকাঠামো। ইয়াক স্বচ্ছ ভাৰত অভিযান গ্ৰামীণ ২.০ৰ অধীনত খোৱাপানী আৰু অনাময় ব্যৱস্থা বিভাগে প্ৰস্তুত কৰি উলিয়াইছে। মন্ত্ৰালয়ে লগতে কয় যে বহুস্তৰীয় পৰ্যালোচনা পৰিকাঠামোত তৃণমূল পৰ্যায়ত অনাময় সেৱা ব্যৱস্থা সুদৃঢ় কৰাৰ বাবে গাঁও পঞ্চায়ত, গাঁও সভা, ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল পৰ্যায়ৰ বিষয়াসকলক জড়িত কৰাৰ বিষয়ত পৰিকল্পনা কৰা হৈছে। এই পদক্ষেপে অগ্ৰগতিৰ পৰ্যালোচনা কৰিবলৈ গাঁও পঞ্চায়ত আৰু গাঁও সভাসমূহক অধিক ক্ষমতা প্ৰদান কৰিব বুলি মন্ত্ৰালয়ে জানিবলৈ দিয়ে। বৈঠকত জলশক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ভি সোমান্নায়ো অংশগ্ৰহণ কৰে।

০০০০০০০

নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনে আজি ভাৰতৰ সৈতে দেশৰ মুক্ত বাণিজ্য চুক্তিক এক যুগান্তকাৰী চুক্তি হিচাপে প্ৰশংসা কৰে -যিয়ে ১৪০ কোটি ভাৰতীয় গ্ৰাহকৰ বাবে প্ৰবেশৰ দ্বাৰ মুকলি কৰিব আৰু নিউজিলেণ্ডত চাকৰি আৰু উপাৰ্জন বৃদ্ধিত সহায় কৰিব। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীলাক্সনে কয় যে এই চুক্তিয়ে চৰকাৰৰ প্ৰথম কাৰ্যকালত

ভাৰতৰ সৈতে মুক্ত বাণিজ্য চুক্তি সুৰক্ষিত কৰাৰ বাবে তেওঁ ৰাষ্ট্ৰীয় দলে কৰা প্ৰতিশ্ৰুতি পূৰণ কৰিছে। ইয়াৰ পূৰ্বে নিউজিলেণ্ড সংসদে ভাৰতৰ সৈতে মুক্ত বাণিজ্য চুক্তি ৰূপায়ণৰ বাবে প্ৰয়োজনীয় আইনখন গৃহীত কৰিছিল। বাণিজ্য আৰু বিনিয়োগ মন্ত্ৰী টড মেক্‌ক্লেই কয় যে এই চুক্তিয়ে নিউজিলেণ্ডৰ ৰপ্তানিকাৰীসকলক বিশ্বৰ অন্যতম বৃহৎ আৰু দ্ৰুতগতিত বিকাশশীল ভাৰতৰ অৰ্থনীতিলৈ সুযোগ প্ৰদান কৰিব।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, হাৰিয়ানা, চণ্ডীগড়, পঞ্জাৱ, দিল্লী আৰু আন্দামান-নিকোবৰ দ্বীপপুঞ্জত আজি প্ৰৱল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে কেৰালা, মাহে, পশ্চিমবংগ, ছিকিম, তামিলনাডু, পুডু চেৰী আৰু কড়াইকালতো একেধৰণৰ বতৰ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ইপিনে, বিহাৰ, জম্মু আৰু কাশ্মীৰ, লাডাখ, ঝাৰখণ্ড, ওড়িশা আৰু ৰাজস্থানত অহা ২-৩ দিনলৈ ধুমুহা আৰু গাজনিৰে বৰষুণ অহাৰ আগলি বতৰা দিছে।

০০০০০০০

নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু আফগানিস্তানৰ মাজৰ চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কালি নিশা ভাৰতে আফগানিস্তানক ৭ উইকেটত পৰাস্ত কৰি তিনিখন খেলৰ শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। ১৬০ ৰানৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে ১৪ অভাৰ ৫টা বলত ৩টা উইকেট হেৰুৱাই ১৬৩ ৰান সংগ্ৰহ কৰে। সঞ্জু চেমছনে ২২টা বলত সৰ্বাধিক ৫৭ ৰান কৰে আৰু অভিষেক শৰ্মাই ১৯টা বলত ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে বেট ধৰি আফগানিস্তানে নিৰ্দিষ্ট ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৫৯ ৰান সংগ্ৰহ কৰিছিল। দলটোৰ অধিনায়ক ইব্ৰাহিম জাদ্ৰানে সৰ্বাধিক স্ক'ৰাৰ হিচাপে ৩৩টা বলত ৩৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ নীতিশ কুমাৰ ৰেড্ডীয়ে তিনিটা উইকেট দখল কৰাৰ বিপৰীতে অৰ্শ্বদীপ সিঙে দুটা উইকেট দখল কৰে। ৰেড্ডীক খেলখনৰ প্লেয়াৰ অৱ দা মেচ হিচাপে নিৰ্বাচিত কৰা হয়। কাইলৈ দিল্লীৰ একেখন ষ্টেডিয়ামতে শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত